মুলত সুদৰ হাৰ আৰু বণ্ডৰ মূল্যৰ সৈতে সম্পৰ্কিত। উদাহৰণ স্বৰূপে ধৰা হ'ল— এখন বণ্ডৰ দাম 100 টকা আৰু 3% সুদৰ হাৰত লাভ কৰে 3 টকা। এতিয়া যদি সুদৰ হাৰ 4% লৈ বৃদ্ধি পায়, তেনে ক্ষেত্ৰত বণ্ডৰ মূল্য 75 টকালৈ হ্ৰাস পায় তেনে ক্ষেত্ৰত একে পৰিমাণৰ 3 টকা স্থিৰ আয় লাভ কৰিব।

ব্যক্তিয়ে হাতত নগদ মুদ্ৰা ৰাখিব বিচাৰে কিয়নো ভৱিষ্যতে অনুমাণ কৰিব নোৱাৰা সুদৰ হাৰ (বণ্ডৰ মূল্য) পৰিবৰ্তনৰ সুবিধা গ্ৰহণৰ কাৰণে। এই ক্ষেত্ৰত ব্যক্তিয়ে সম্পদ মুদ্ৰাৰ আকাৰত নে বণ্ডৰ আকাৰত ৰাখিব, তেনে পৰিপেক্ষিতত বৰ্তমানৰ সুদৰ হাৰ (ic) ৰ সৈতে ভৱিষ্যৰ প্ৰত্যাশিত সুদৰ হাৰ (ie) ৰ মাজত তুলনা কৰে। ইয়াৰে দ্বিতীয়টো সুদৰ হাৰক কেইনছে্ স্বাভাৱিক সুদৰ হাৰ হিচাপে উল্লেখ কৰিছে। যদিহে ব্যক্তিয়ে ভাৱে যে, বৰ্তমানৰ সুদৰ হাৰ নিম্ন (বণ্ডৰ দাম উচ্চ) আৰু ভৱিষ্যতে বৃদ্ধি হোৱাৰ সম্ভাৱনা থাকে (বণ্ডৰ দাম নিম্ন হয়), তেনেহ'লে ব্যক্তিয়ে মূলধনৰ লোকচান অনুমান কৰিব আৰু প্ৰত্যাশিত বণ্ডৰ লোকচান এৰাই চলিবলৈ, তেওঁলোকে কম সুদত ধাৰ ল'ব (ইতিমধ্যে ক্ৰয় কৰা বণ্ড বিক্ৰী কৰিব) আৰু নিজৰ হাতত নগদ মুদ্ৰা ৰাখিব যাতে ভৱিষ্যতে অধিক সুদত ধাৰলৈ দিব পাৰে (কম দামত বণ্ড ক্ৰয় কৰিব পাৰে)। গতিকে, যেতিয়া প্ৰত্যাশিত সুদৰ হাৰ বৰ্তমানৰ সুদৰ হাৰতকৈ অধিক হ'ব, তেনেক্ষেত্ৰত ব্যৱসায়জনিত অভিপ্ৰায়ৰ উদ্দেশ্যে মুদ্ৰাৰ চাহিদা বাঢ়িব। আনহাতে যদি ব্যক্তিয়ে অনুভৱ কৰে যে, ভৱিষ্যতে সুদৰ হাৰ হ্ৰাস পাব (বণ্ডৰ মূল্য বৃদ্ধি পাব) তেনে ক্ষেত্ৰত ব্যৱসায়িক লাভজনিত কাৰণত মুদ্ৰাৰ চাহিদা হ্ৰাস পাব।

ব্যক্তিয়ে নিজৰ হাতত মুদ্ৰা ৰাখিবনে বা বণ্ড ৰাখিব সেইটো নিৰ্ভৰ কৰিব বণ্ডৰ পৰা আহৰণ কৰা শুদ্ধ বা নেট উৎপাদনৰ ওপৰত। শুদ্ধ বা নেট উৎপাদনত অন্তৰ্ভূক্ত বিষয়বোৰ হ'ল, বণ্ডৰ পৰা আহৰণ কৰা সুদৰ পৰিমাণ বা মূলধনৰ লাভাংশ আৰু লোকচান (ic+g); যেতিয়ালৈকেবণ্ডৰ পৰা আহৰণ কৰা শুদ্ধ উৎপাদন শূণ্যতকৈ অধিক হয়, তেনেক্ষেত্ৰত ব্যক্তিয়ে নিজৰ হাতত বণ্ড ৰাখিব। যদি শুদ্ধ উৎপাদন শূণ্যৰ সমান হয়, তেনেক্ষেত্ৰত ব্যক্তি বণ্ড আৰু মুদ্ৰাৰ প্ৰতি নিৰপেক্ষ হ'ব। যি ক্ষেত্ৰত শুদ্ধ উৎপাদন শূণ্যৰ সমান হয়, তেনেক্ষেত্ৰত সুদৰ হাৰৰ জটিল মূল্য (critical value) তলত উল্লেখ কৰা ধৰণে সমাধান কৰিব পাৰি।

$ic + g = 0$

কিন্তু, $g = ic/ie = 1$

গতিকে, $ic/ie = 1 + ic = 0$

বা, $ic/ie + ic = 1$

বা, $ic\,(1/i_e + 1) = 1$

বা, $ic\,(1+i_e / i_e) = 1$

বা, $ic = 1/1+i_e / i_e$

বা, $ic = i_e/1+i_e$

উদাহৰণ স্বৰূপে, যদি $i_e$ .04 হয় তেনেহ'লে বৰ্তমানৰ জটিল মূল্য (critical value) হাৰ হ'ব .04/1 + .04 = .0385। একেদৰে যেতিয়া বৰ্তমানৰ বজাৰ সুদৰ হাৰ জটিল সুদৰ হাৰ (.0385) ৰ ওপৰত হ'ব, তেতিয়া লাভ আহৰণ কাৰী ব্যৱসায়ীয়ে বণ্ড হাতত ৰাখিব আৰু যদি বৰ্তমানৰ সুদৰ হাৰ .0385 ৰ নিম্নত থাকে তেতিয়া ব্যৱসায়ীয়ে মুদ্ৰা হাতত ৰাখিব। ধৰা হ'ল $i_e$ = .04 আৰু ic =.039 তেতিয়া $g = ic/i_e - 1$ = Rs. (- .025) হ'ব আৰু এনে

ক্ষেত্ৰত বণ্ড হাতত ৰাখিলে সম্পদৰ গৰাকীয়ে প্ৰতিটো টকাৰ বিনিময়ত নেট উৎপাদন লাভ কৰিব ic+g= Rs. .039+ Rs. (- .025) = .014। গতিকে, বণ্ডৰ পৰা লাভ কৰা আয় আহৰণ শূণ্যতকৈ অধিক (ic + g >o) আৰু সম্পদৰ গৰাকীয়ে নগদ মুদ্ৰাৰ বিপৰীতে বণ্ডৰ হাতত ৰাখি মূলধনৰ ধনাত্মক নেট আয় লাভ কৰিব।

অৱশেষত ক'ব পাৰি যে, আয়স্তৰ স্থিৰে থকা অৱস্থাত লাভজনিত কাৰণত কৰা মুদ্ৰাৰ চহিদা আৰু বৰ্তমানৰ সুদৰ হাৰৰ মাজত এক বিপৰীত সম্পৰ্ক বিদ্যমান। বৰ্তমানৰ সুদৰ হাৰ বৃদ্ধি পালে ব্যৱসায়িক লাভজনিত মুদ্ৰাৰ চাহিদা হ্ৰাস পায় আৰ ইয়াৰ বিপৰীতে বৰ্তমানৰ সুদৰ হাৰ হ্ৰাস পালে মুদ্ৰাৰ চাহিদা বৃদ্ধি পায়। এনেদৰে ব্যৱসায়িক লাভজনিত মুদ্ৰাৰ চাহিদা অভিপ্ৰায় ($L_2$) সুদৰ হাৰ পৰিবৰ্তনৰ এক স্পৰ্শকাতৰ সূচক আৰু ঋণাত্মক কাৰ্য্য। প্ৰতীকী ৰূপত এই সম্পৰ্কক এনেদৰে দেখুৱাব পাৰি,

$$L_2 = f(i)$$





**Fig. 3 G**

ব্যৱসায়িক লাভজনিত মুদ্ৰাৰ চাহিদা আৰু সুদৰ হাৰৰ সম্পৰ্কক ওপৰৰ 3.G চিত্ৰত উল্লেখিত নিম্নগামী $L_2$ ৰেখাৰ জৰিয়তে দেখুৱাব পাৰি। সুদৰ হাৰ Oi ত বৰ্তমানৰ সুদৰ হাৰ আৰু প্ৰত্যাশিত সুদৰ হাৰ সমান (ic = ie) আৰু লাভজনিত মুদ্ৰাৰ চাহিদা অভিপ্ৰায় শূণ্যৰ সমান। ইয়েই হ'ল সৰ্বাধিক জটিল মূল্য হাৰ যিটোৰ ওপৰত সমাজে কেৱল বণ্ড নিজৰ হাতত ৰাখিব। নিম্ন সুদৰ হাৰ $Oi_2$ ত লাভজনিত কাৰণত মুদ্ৰাৰ চাহিদাৰ পৰিমাণ OA। বৰ্তমানৰ সুদৰ হাৰ $O_1$ লৈ